**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-03-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। ৰাজ্যসভাৰ সাংসদ সুধাংশু ত্ৰিবেদীয়ে ধুবুৰী জিলাক লৈ কৰা বিৰূপ মন্তব্যৰ বিৰোধিতা কৰি আজি বিধানসভাত বিৰোধীৰ সাংসদগৰাকীৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ উত্থাপন।

২। বিধানসভাত আজি চাৰিখন নতুন বিধেয়ক আৰু এঘাৰখন সংশোধনী বিধেয়ককে ধৰি মুঠ ১৫ খন বিধেয়ক উত্থাপন।

৩। ডিব্ৰুগড়ৰ কৃত্ৰিম বানৰ সমস্যা আৰু ইয়াৰ সমাধান সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ গুৰুত্বপূৰ্ণ বৈঠক।

৪। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি।

আৰু

৫। তিৱা সাহিত্য সভাৰ ত্ৰয়োদশ ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন আৰম্ভ।

০০০০০০০

অসম বিধানসভাত আজি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিজেপিৰ ৰাজ্যসভাৰ সাংসদ সুধাংশু ত্ৰিবেদীয়ে কালি ৰাজ্যসভাত ধুবুৰী জিলাক বাংলাদেশৰ অংশ বুলি কৰা মন্তব্যৰ বিৰোধিতা কৰি সাংসদগৰাকীৰ বিৰুদ্ধে এটা ভৰ্ৎসনা প্ৰস্তাৱ উত্থাপন কৰিবলৈ বিচাৰে। সদনৰ শূন্য কালত বিষয়টো উত্থাপন কৰি বিৰোধী দলপতি শইকীয়াই কয়, যে ধুবুৰী জিলাৰ পৰা ভালেসংখ্যক স্বাধীনতা সংগ্ৰামীয়ে দেশৰ হকে স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰিছিল আৰু সাংসদগৰাকীৰ এনে মন্তব্যই সমগ্ৰ ধুবুৰীবাসীৰ লগতে অসমবাসীকো অপমানিত কৰিছে। যদি কোনো বাংলাদেশী নাগৰিক জিলাখনত আছে তেওঁলোকক চিনাক্ত কৰি বহিষ্কাৰ কৰাটো কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব বুলি শইকীয়াই মন্তব্য কৰে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে দেৱব্ৰত শইকীয়াৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰি কয়, যে এই বিষয়টো পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব। বিৰোধী দলপতিগৰাকীয়ে ইয়াৰ পাছত সমগ্ৰ ৰাজ্যজুৰি কালি প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ অনুদান পত্ৰ প্ৰদান অনুষ্ঠানলৈ বটদ্ৰৱাৰ বিধায়ক শিৰামণি বৰাক আমন্ত্ৰণ নকৰাৰ বাবে সদনত চৰকাৰৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ অভিযোগ তোলে। এই বিষয়টোলৈ সদনত বহু সময় ধৰি শাসক-বিৰোধীৰ মাজত তৰ্ক-বিতৰ্কও হয়। বিধায়ক শ্বেৰমান আলীয়ে বিধানসভাৰ অধিৱেশন চলি থকাৰ সময়ত বৰপেটাৰ জিলা আয়ুক্তই জিলাখনত বৈঠক অনুষ্ঠিত কৰাক লৈ জিলা আয়ুক্তগৰাকীৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ অভিযোগ কৰি এই ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা হ'ব নে নাই বুলি প্ৰশ্ন উত্থাপন কৰে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এই বিষয়টোও পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব বুলি উল্লেখ কৰে।

ইপিনে জলসিঞ্চন বিভাগ আৰু নলা-নৰ্দমাত জমা হোৱা পানী তথা জাবৰ নিষ্কাষণৰ বাবে ব্যৱহাৰ কৰা ছুপাৰ ছাকাৰ বাহন ক্ৰয়ৰ ক্ষেত্ৰত অনিয়ম হোৱাৰ অভিযোগ তুলি বিৰোধীপক্ষই সভা স্থগিত প্ৰস্তাৱ উত্থাপনৰ অনুমতি বিচাৰে। কিন্তু অধ্যক্ষই এই প্ৰস্তাৱ নাকচ কৰাত বিৰোধী পক্ষৰ সদস্যসকলে এই বিষয়ত এখন সদন কমিটি গঠন কৰিবলৈ দাবী জনায়। কংগ্ৰেছ, এ আই উই ডি এফ, চি পি এম আৰু ৰাইজৰ দলে সদন কমিটি গঠনৰ বিষয়টোৰ প্ৰতি সমৰ্থন জনায়। কিন্তু অধ্যক্ষই এই বিষয়টো অমান্তি হোৱাত বিৰোধী পক্ষৰ সদস্যসকলে হাতে হাতে প্লে কাৰ্ড লৈ সদনৰ মজিয়ালৈ উঠি গৈ ধৰ্না দিবলৈ ধৰে। বিৰোধী সদস্যসকলে বহু সময় ধৰি প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত ঘোষণা কৰে।

০০০০০০০

অসম বিধানসভাত আজি চাৰিখন নতুন বিধেয়ক আৰু এঘাৰখন সংশোধনী বিধেয়ককে ধৰি মুঠ ১৫ খন বিধেয়ক উত্থাপন কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ নতুনকৈ উন্নীত কৰা বঙাইগাঁও বিশ্ববিদ্যালয়, গুৰুচৰণ বিশ্ববিদ্যালয়, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, নগাঁও বিশ্ববিদ্যালয়, নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়, শিৱসাগৰ বিশ্ববিদ্যালয়, শ্বহীদ কনকলতা বৰুৱা বিশ্ববিদ্যালয় আৰু কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ বাবে মুঠ ৮ খন সংশোধনী বিধেয়ক উত্থাপন কৰে। এই সংশোধনীৰ জৰিয়তে

নতুনকৈ বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা শিক্ষানুষ্ঠানকেইখনত প্ৰথমগৰাকী উপাচাৰ্য নিয়োগ কৰা হ'ব। তদুপৰি ভৱিষ্যতে এই বিশ্ববিদ্যালয়সমূহত ৰাজ্যপালে উপাচাৰ্যক নিয়োগ কৰিব। ডাঃ পেগুৱে বিধানসভাত অসম ব্যক্তিগত বিশ্ববিদ্যালয় সংশোধনী বিধেয়কো উত্থাপন কৰে। এই সংশোধনী বিধেয়কত ব্যক্তিগত বিশ্ববিদ্যালয়সমূহত নতুন কাৰিকৰী আৰু চিকিৎসা বিজ্ঞান পাঠ্যক্ৰম প্ৰণয়নত নিষেধাজ্ঞা জাৰি কৰাৰ লগতে ধৰ্মান্তকৰণমূলক কাৰ্যকলাপৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি এই সংশোধনী বিধেয়কত ব্যক্তিগত বিশ্ববিদ্যালয়সমূহত প্ৰতি তিনিবছৰৰ মূৰে মূৰে চৰকাৰী বিষয়াই পৰিদৰ্শন কৰিব বুলি উল্লেখ কৰা হৈছে। শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক গুণগত শিক্ষা প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ ব্যক্তগত ক'চিং প্ৰতিষ্ঠানসমূহক নিয়ন্ত্ৰণৰ লক্ষ্যৰে আজি সদনত দি আছাম ক'চিং ইনষ্টিটিউটছ কন্‌ট্ৰল এণ্ড ৰেগুলেচন বিধেয়ক উত্থাপন কৰে। ইপিনে দ্বিতীয় এডভাণ্টেজ আছামৰ সময়ত স্বাক্ষৰিত বুজাবুজিৰ চুক্তি অনুসৰি দৰং জিলাত মা কামাখ্যা বিশ্ববিদ্যালয়, তিনিচুকীয়াত এডটেক দক্ষতা বিশ্ববিদ্যালয় আৰু বিটিআৰত স্বামী বিবেকানন্দ বিশ্ববিদ্যালয়কে ধৰি মুঠ ৩ খন ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ বাবে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বিধানসভাত ৩ খন বিধেয়ক উত্থাপন কৰে।

oooooo

বিশ্বৰ ভিন ভিন প্ৰান্তৰ লগতে অসমতো কৰ্কট ৰোগৰ প্ৰাৰ্দুভাৱ দিনক দিনে বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ অধীনৰ অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচন, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান আৰু টাটা ট্ৰাষ্টৰ সহযোগত এই ৰোগ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধৰ বাবে অহৰহ প্ৰচেষ্টা চলোৱা হৈছে। বিধানসভাত আজি এইকথা প্ৰকাশ কৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে কয়, যে ৰাজ্যখনত আজি পৰ্যন্ত ২ হাজাৰ ৬২১ গৰাকী কৰ্কট ৰোগী চিনাক্ত কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে তামোল পাণ, ধঁপাত, অত্যধিক মদ্যপান, অত্যধিক মছলাযুক্ত খাদ্যৰ সেৱনকে ধৰি কৰ্কট ৰোগ হ'ব পৰা বিভিন্ন কাৰকৰ কথা উল্লেখ কৰি কয়, যে এই ৰোগ প্ৰতিৰোধৰ বাবে ৰাজ্যৰ প্ৰতিখন জিলাতে জনসাধাৰণক সচেতন কৰাৰ উদ্দেশ্যে প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। তেওঁ কয়, যে ৩০ বছৰৰ উৰ্ধৰ ব্যক্তিসকলৰ বাবে তিনিটা সাধাৰণ কৰ্কট ৰোগৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা আছে। তদুপৰি মহিলাসকলক স্তন পৰীক্ষাৰ সঠিক পদ্ধতিসমূহ শিকোৱাৰ লগতে নিয়মীয়াকৈ পৰামৰ্শ আগবঢ়োৱা আৰু আয়ুষ্মান আৰোগ্য মন্দিৰত আগতীয়াকৈ এই ৰোগ চিনাক্তকৰণৰ বাবে স্বাস্থ্য পৰীক্ষা কৰোৱাৰো সুবিধা আছে বুলি শ্ৰীসিংহলে জানিবলৈ দিয়ে।

oooooo

অসম বিধানসভাত আজি লোকনিৰ্মাণ বিভাগৰ কৰ্তন প্ৰস্তাৱ সন্দৰ্ভত অনুষ্ঠিত আলোচনাৰ সময়ত বিজেপিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু বিধায়ক অখিল গগৈ আৰু বিধায়ক শ্বেৰমান আলীৰ মাজত হোৱা কথা কটাকটিক লৈ সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। মৰিয়ণিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বিতৰ্কত ভাগ লৈ পূৰ্বৰ চৰকাৰসমূহৰ তুলনাত বৰ্তমানৰ চৰকাৰে কৰা কাম-কাজৰ প্ৰশংসাৰ সময়ত বিধায়ক অখিল গগৈ আৰু বিধায়ক শ্বেৰমান আলীয়ে তেওঁলোকৰ ফাললৈ চাই বক্তব্য উত্থাপন কৰাৰ পৰিৱৰ্তে অধ্যক্ষকহে সম্বোধন কৰিব লাগে বুলি মন্তব্য কৰাত বিধায়ক কুৰ্মী খৰ্গহস্ত হৈ পৰে আৰু উত্তেজিত হৈ তেওঁ বিধায়ক শ্বেৰমান আলীৰ ফালে চোঁচা মাৰিবলৈ উদ্যত হয়। অধ্যক্ষৰ আসনত থকা উপাধ্যক্ষ নোমল মমিনে বিধায়কগৰাকীক শান্ত কৰিবলৈ যথেষ্ট চেষ্টা কৰিবলগীয়া হয় আৰু মাৰ্শ্বালৰ সহায়তহে বিধায়কগৰাকীক ক্ষান্ত কৰে। এই ঘটনাৰ প্ৰতিবাদত বিৰোধী পক্ষই কিছু সময়ৰ বাবে সদন ত্যাগ কৰে।

ooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ চৌহদত জিলাখনৰ কৃত্ৰিম বানৰ সমস্যা আৰু ইয়াৰ সমাধান সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত ডিব্ৰুগড় পৌৰসভা, চহৰ আৰু নগৰ পৰিকল্পনা বিভাগকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলৰ উপৰি কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকে। ড০ শৰ্মাই নগৰখনত নিৰ্মাণ হৈ থকা মূল নলাৰ উপৰি অন্যান্য নলা-নৰ্দমাসমূহৰ নিৰ্মাণকাৰ্য শীঘ্ৰেই সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। কৃত্ৰিম বানে যাতে জনসাধাৰণক বিপৰ্যস্ত কৰিব নোৱাৰে তাৰ বাবে জাৱৰ নিষ্কাষণকে ধৰি আনুষংগিক কামসমূহ শীঘ্ৰেই সম্পন্ন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। এই বৈঠকতে মুখ্যমন্ত্ৰীগৰাকীয়ে বিগত বৰ্ষৰ ২৩ ডিচেম্বৰত এই বিষয়ক এখন বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ কাৰ্যকৰীকৰণৰ

সন্দৰ্ভত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে প্ৰস্তুত কৰা প্ৰতিবেদনৰ বিতংভাৱে পৰ্যালোচনা কৰে। ড০ শৰ্মাই আজি বিধায়কসকলৰ সমন্বিতে ডিব্ৰুগড়ত বিধানসভা ভৱন আৰু বিধায়কৰ আৱাসগৃহ নিৰ্মাণৰ বাবে ভূমি পৰিদৰ্শন কৰে।

০০০০০০

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ পৰিষদীয় নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত ৩৩ টা সমষ্টিত মুঠ ৯৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নিৰ্বাচন হ'বলগীয়া দুখন জিলা কামৰূপ আৰু গোৱালপাৰাৰ ৩৬টা সমষ্টিৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। ইয়াৰে তিনিগৰাকী প্ৰাৰ্থী ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ কামৰূপ জিলাৰ ২৭ নম্বৰ পৰিষদীয় সমষ্টিত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি তথা এন ডি এ সমৰ্থিত প্ৰাৰ্থী সুমিত ৰাভাই সহস্ৰাধিক সমৰ্থকক লগত লৈ বকো ডাকোৱাপাৰাত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী অৰ্জুন ছেত্ৰী, ৰমাকান্ত ৰাভা আৰু আদিত্য ৰাভাইও আজি নিজ নিজ পৰিষদীয় সমষ্টিত প্ৰচাৰ আৰম্ভ কৰিছে। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ পাণ্টান সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মনোজ ৰাভা দক্ষিণ পাণ্টান পৰিষদৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী জিমবাৰ্থ মাৰাক, উত্তৰ বনগাঁৱৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী দুৰ্গেশ্বৰ বড়ো আৰু বামুণী গাঁৱৰ জ্যোতিষ ঠাকুৰীয়াইও নিজ নিজ সমষ্টিত প্ৰচাৰ চলায়। ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

এন আই টি শিলচৰৰ ইলেকট্ৰিকেল ইঞ্জিয়াৰিং বিভাগৰ প্ৰথম বৰ্ষৰ এগৰাকী ছাত্ৰীৰ শ্লীলতাহানিৰ অভিযোগত বিভাগটোৰ এগৰাকী অধ্যাপকক নিলম্বন কৰা হৈছে। অভিযোগ অনুসৰি অধ্যাপকগৰাকীয়ে ছাত্ৰীগৰাকীক অনুচিতভাৱে স্পৰ্শ কৰাৰ চেষ্টা চলায়। পাছত ছাত্ৰীগৰাকীয়ে এই কাণ্ডৰ বিষয়ে অন্যান্য ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰোৱাৰ পাছত তেওঁলোকে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ এন আই টি শিলচৰৰ সঞ্চালক আৰু পঞ্জীয়কক দাবী জনায়। অভিযোগক কেন্দ্ৰ কৰি প্ৰতিষ্ঠানটোৰ কেইবাশ ছাত্ৰ-ছাত্ৰীয়ে কালি অধ্যাপকগৰাকীক শাস্তিৰ দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰে। ছাত্ৰীগৰাকীয়ে এই নিৰ্যাতনৰ অভিযোগ উত্থাপন কৰাত আভ্যন্তৰীণ অভিযোগ সমিতিয়ে অধ্যাপকগৰাকীৰ বিৰুদ্ধে তদন্ত কৰি তেওঁক নিলম্বন কৰে।

০০০০০০

যোৰহাট জিলাআয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা আয়ুক্তৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জিলাখনৰ বিশিষ্ট নাগৰিকসকললৈ প্ৰেৰণ কৰা বিহু শুভেচ্ছা বিতৰণ সন্দৰ্ভত আৰু সমাগত পঞ্চায়ত নিৰ্বাচনৰ বিভিন্ন দিশ সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হয়। সভাত জিলাখনৰ বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়িত হৈ থকা আঁচনি সন্দৰ্ভতো জিলা আয়ুক্তগৰাকীয়ে বিষয়াসকলৰ সৈতে পৰ্যালোচনা কৰে। জিলা উন্নয়ন আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অতিৰিক্ত জিলা আয়ুক্ত সহ আন আন প্ৰশাসনীয় বিষয়াসকল সভাত উপস্থিত থাকে।

০০০০০০০

তিৱা সাহিত্য সভাৰ ত্ৰয়োদশ সংখ্যক ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন আজি তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ঔজাৰীৰ স্বৰ্গীয় জেমন চন্দ্ৰ বৰদলৈ ক্ষেত্ৰত আৰম্ভ হৈছে। আজি পুৱাৰ ভাগত তিৱাসকলৰ ঐতিহ্যমণ্ডিত গোভা ৰজা দীপসিং দেওৰজাই অধিৱেশনস্থলীৰ মূল দ্বাৰ উন্মোচন কৰে। তিৱা স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, অধ্যক্ষ মদন বৰদলৈ প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে তিৱা সাহিত্য সভাৰ সাধাৰণ সম্পাদক ড° বিদ্যুৎ বিকাশ সেনাপতিয়ে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে। অধিৱেশনস্থলীত স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে ডেকাচাং আৰু মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে বৰঘৰ উন্মোচন কৰে। ইয়াৰ পাছতে মন্ত্ৰী পীযুষ হাজৰিকাই অধিৱেশনস্থলীত আয়োজিত গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে।

০০০০০০০

গুৱাহাটী মহানগৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই মণিপুৰৰ উগ্ৰপন্থী সংগঠন কাংলেইপাক কমিউনিষ্ট সংগঠনৰ দুজন সদস্যক আটক কৰে। আৰক্ষীয়ে মহানগৰৰ আই এছ বি টিৰ পৰা সংগঠনটোৰ জ্যেষ্ঠ কামাণ্ডাৰ টেকছা ইবমছা সিং আৰু মাৰণাস্ত্ৰ সংগ্ৰাহক মেইচনাম বংগুচৌবা সিঙক আটক কৰে। উগ্ৰপন্থী গোটটোৰ সদস্য দুজন মণিপুৰত ধন দাবী আৰু অস্ত্ৰ-শস্ত্ৰ সম্পৰ্কীয় বহু অপৰাধৰ সৈতে জড়িত হৈ আছিল বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

হোজাইৰ কাকী ডিমৰু পথাৰ সমন্বয় ক্ষেত্ৰত আজি ডিমৰু মহোৎসৱ আৰম্ভ হৈছে। ডিমৰু অঞ্চলৰ জনগোষ্ঠীসমূহৰ কলা-সংস্কৃতিৰ প্ৰদৰ্শনেৰে আৰম্ভ হোৱা ডিমৰু মহোৎসৱৰ প্ৰথম দিনাৰ কাৰ্যসূচীত মূল তোৰণ আৰু বাণিজ্য মেলাৰ দ্বাৰ মুকলি কৰা হয়। কাকী বনাঞ্চলত ২৩ টা জাতি-জনগোষ্ঠী সমন্বয়ত তিনিদিনীয়াকৈ অনুষ্ঠিত ডিমৰু মহোৎসৱত কৃষ্টি-সংস্কৃতি, থলুৱা খাদ্য সম্ভাৰ প্ৰদৰ্শনৰ লগতে বাণিজ্য মেলা আৰু মুকলি সভাৰো আয়োজন কৰা হৈছে।

০০০০০০০

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে বিগত বৰ্ষত আগবঢ়োৱা মুখ্যমন্ত্ৰীৰ গ্ৰীণ ফেল’শ্বিপ প্ৰগেমৰ জৰিয়তে ৰাজ্যখনৰ ৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীক এই প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত কৰা হৈছে। ইয়াৰ ভিতৰত বাইহাটা চাৰিআলিৰ পূব কামৰূপ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ চতুৰ্থ যান্মাষিকৰ ছাত্ৰ আজমল হক আৰু একেটা বিভাগৰে ছাত্ৰী কংকনা ডেকা নিৰ্বাচিত হৈছে। আজমল হকে ইউৰোপৰ প’লেণ্ডৰ ৰকলৰস্কি বিশ্ববিদ্যালয় আৰু কংকনা ডেকাই শ্ল’ভেনিয়াৰ লুবিয়ানা বিশ্ববিদ্যালয়লৈ ৪০ দিনৰ প্ৰশিক্ষণৰ বাবে অহা ২৫ মাৰ্চত যাত্ৰা কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত পৰিবেশ প্ৰদূষণ - নতুন ভাবুকি শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিবেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত মেডিচিন বিভাগৰ বিশিষ্টা চিকিৎসক ডাঃ ৰুণজুন টেৰণপী আৰু পৰিবেশ কৰ্মী মুবিনা আখতাৰে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল’ব পাৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফেচবুক পেজ airnewsghy আৰু Youtube Channel airnewsGuwahati-যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ’ব।

০০০০০০০

**সমাপ্ত**